**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 20-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

নামৰূপ সাৰ কাৰখানাৰ বাবে ১২ দশমিক সাত লাখ মেট্ৰিকটন ক্ষমতাৰ ইউৰীয়া আৰু এম'নিয়া উৎপাদন প্ৰকল্পৰ অনুমোদন জনোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসম মন্ত্ৰীসভাই ধন্যবাদ জ্ঞাপন কৰে। এই প্ৰকল্পত ভাৰত চৰকাৰৰ ৬০ শতাংশ আৰু অসম চৰকাৰৰ ৪০ শতাংশ অংশীদাৰিত্ব থাকিব। ডিব্ৰুগড়ত অসম মন্ত্ৰীসভাই গ্ৰহণ কৰা এই সিদ্ধান্তৰ কথা আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মেল যোগে সদৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা মতে প্ৰকল্পটোৰ আধাৰশিলা স্থাপনৰ বাবে ছেপ্তেম্বৰ অথবা অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমলৈ আমন্ত্ৰণ জনোৱা হ'ব। আনহাতে মৰাণ জনগোষ্ঠীৰ বাবে মন্ত্ৰীসভাত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা সদৰি কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে অৰুণাচলত বাস কৰা মৰাণ জনগোষ্ঠীৰ লোকসকলক অসম চৰকাৰে অসমৰ স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ দিব। অসম চৰকাৰৰ নিযুক্তি পৰীক্ষাত অৰুণাচলৰ মৰাণ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলো অৱতীৰ্ণ হ'ব পাৰিব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত কৰ্মৰত লোকসকলে ৰাজ্য চৰকাৰৰ অধীনত নিযুক্তিৰ বাবে বিশেষ সুবিধা লাভ কৰিব। এই লোকসকলৰ বাবে বয়সৰ উচ্চ সীমা নাথাকিব বুলি মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইফালে গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰত দোকান-পোহাৰসমূহ ২৪ ঘণ্টাই খোলা ৰখাৰ সিদ্ধান্ত লোৱা হয়। সুৰাৰ বিপনীসমূহ নিশা ২ বজালৈকে খোলা থাকিব। ৰাজ্যৰ আন আন প্ৰান্তত নিশা ১২ বজালৈকে দোকান-পোহাৰসমূহ খোলাৰ অনুমতি প্ৰদান কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০

বজালী জিলাৰ ভৱানীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত টাঙলা গাঁৱত আজি দিনৰ ভাগত দুজন নিচাযুক্ত দ্ৰব্য আসক্ত যুৱকক আৰক্ষীয়ে আটক কৰে। যুৱক দুজনক সন্দেহজনক অৱস্থাত ঘূৰি ফুৰা প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজে আৰক্ষীক অৱগত কৰিছিল। আৰক্ষীয়ে যুৱক দুজনৰ পৰা নিচাযুক্ত সামগ্ৰী, ছিৰিঞ্জ আৰু ম'বাইল ফোন উদ্ধাৰ কৰে। নিচাযুক্ত দ্ৰব্য আসক্ত দুয়োগৰাকী যুৱক পাঠশালা মিলনপুৰৰ অভিজিৎ দাস আৰু উদীপ্ত তালুকদাৰ বুলি জানিব পৰা গৈছে।

০০০০

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে ৰূপায়ণ কৰা ৰাষ্ট্ৰীয় মুখগহ্বৰৰ স্বাস্থ্য কাৰ্যসূচীৰ অধীনত আজি ৰাজ্যৰ বিভিন্ন জিলাত বিশ্ব মুখগহ্বৰৰ স্বাস্থ্য দিৱস পালন কৰা হৈছে। এই উপলক্ষে গোৱালপাৰা জিলাৰ অসামৰিক চিকিৎসালয়ত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। চিকিৎসালয়খনৰ অধীক্ষক আৰু উপ-অধীক্ষকৰ উপস্থিতিত অনুষ্ঠিত সভাখনত দাঁতৰ যত্নৰ প্ৰয়োজনীয়তা, মুখগহ্বৰৰ যতন আদিৰ বিষয়ত জনসাধাৰণক সজাগ কৰা হয়। জিলাখনত মাহজোৰা কাৰ্যসূচীৰে সজাগতা সভা আৰু দাঁতৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হ'ব বুলি জিলা ন'ডেল বিষয়াই জানিবলৈ দিছে।

চিৰাঙৰ কাজল গাঁৱত বিজনী মহকুমা অসামৰিক চিকিৎসালয় আৰু শ্ৰীভূমি জিলাত জিলা স্বাস্থ্য সন্থাৰ উদ্যোগত মুখগহ্বৰৰ স্বাস্থ্য সম্পৰ্কীয় সজাগতা কাৰ্যসূচী পালন কৰা হয়। বিশেষ স্বাস্থ্য শিবিৰ আৰু সজাগতা ৰেলীৰ জৰিয়তে জিলা কেইখনত চিকিৎসা কৰ্মীসকলে মুখগহ্বৰৰ স্বাস্থ্য কেৱল সৌন্দৰ্যৰ খাতিৰতে নহয়, বৰঞ্চ সামগ্ৰিক, শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে প্ৰয়োজনীয় বুলি জনসাধাৰণক সোঁৱৰাই দিয়ে।

০০০০

বিশিষ্ট আইনবিদ, শিক্ষাবিদ তথা সমাজকৰ্মী দুৰ্লভ চন্দ্ৰ মহন্তৰ দ্বিতীয় মৃত্যু বাৰ্ষিকী আজি গুৱাহাটী টাউন ক্লাব প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। পুৱাৰ ভাগত বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত **উমৈহতীয়া দেৱনীবিধি ৰূপায়নে ভাৰতত শান্তি আৰু সম্প্ৰীতি আনিব** শীৰ্ষক বিষয়ত তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাত কটন বিশ্ববিদ্যালয় শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয়। আনহাতে কটন বিশ্ববিদ্যালয়ৰ গীতাৰ্থ বৰাই শ্ৰেষ্ঠ তাৰ্কিক আৰু সন্দিকৈ মহাবিদ্যালয়ৰ প্ৰিয়ংকা সাহা আৰু কে চি দাস কমাৰ্চ কলেজৰ দিশা গগৈয়ে ক্ৰমে দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰ প্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাই **আইনী বৃত্তি আৰু নৈতিক মূল্যবোধ** শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত কেইবাগৰাকীও আইনবিদ, শিক্ষাবিদ তথা বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

যোৱা শনিবাৰে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা বনৰীয়া ম'হক খেদি পঠিওৱাৰ চেষ্টা কৰাৰ সময়ত ম'হটোৰ আক্ৰমণত আহত হোৱা বনকৰ্মী জেহেৰুল ইছলামৰ কালি বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। বৰপেটা জিলাৰ কলগাছিয়াৰ জেহেৰুল ইছলাম নামৰ এই বন সুৰক্ষা বাহিনীৰ কনিষ্টবলজনৰ মৃত্যুত শোক প্ৰকাশ কৰি আজি মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী বনাঞ্চলিক কাৰ্যালয়ত বন বিভাগৰ পতাকা অৰ্ধনমিত কৰি ৰখা হয়।

০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত পৰিবেশ প্ৰদূষণ - নতুন ভাবুকি শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিবেশিকা অৰুণিমা গোস্বামীয়ে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত মেডিচিন বিভাগৰ বিশিষ্টা চিকিৎসক ডাঃ ৰুণজুন টেৰণপী আৰু পৰিবেশ কৰ্মী মুবিনা আখতাৰে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফেচবুক পেজ airnewsghy আৰু Youtube Channel airnewsGuwahati-যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ